सत्यमेव जयते

# ভাৰতৰ
# ৭৩তম্ স্বাধীনতা দিৱস উদ্‌যাপন

অসমৰ মাননীয় মুখ্যমন্ত্ৰী

## শ্ৰীসৰ্বানন্দ সোণোৱালৰ ভাষণ

১৫ আগষ্ট, ২০১৯

গুৱাহাটী

পৰম শ্ৰদ্ধাভাজন ৰাইজ,

ভাৰতবৰ্ষৰ ৭৩ তম্ স্বাধীনতা দিৱসৰ এই শুভ মুহূৰ্তত মই ৰাজ্যখনৰ জনসাধাৰণক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। এই পবিত্ৰ মুহূৰ্তত জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ লগতে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত চৰম ত্যাগ কৰা সকলো স্বাধীনতা সংগ্ৰামী আৰু ৰাজ্যখনৰ শ্বহীদ মণিৰাম দেৱান, পিয়লি ফুকন, কুশল কোঁৱৰ, কনকলতা বৰুৱা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননী প্ৰমুখ্যে মুক্তিযোদ্ধা সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিৱেদন কৰিছোঁ।

দেশৰ সীমান্ত সুৰক্ষাত নিয়োজিত হৈ ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব ৰক্ষা তথা সন্ত্ৰাসবাদৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি আত্মবলিদান দিয়া বীৰ শ্বহীদসকলকো মই শ্ৰদ্ধাৰে সুঁৱৰিছো। এই পবিত্ৰ ক্ষণত অসমী আইৰ বুকু গৰ্বিত কৰা বীৰ শ্বহীদ মনেশ্বৰ বসুমতাৰী, বিপুল বৰা, বিশ্বজিৎ চৌহান, নিৰজ চেত্ৰী, নিৰোদ শৰ্মা, কালিদাস শৰ্মা আৰু সুনীল কলিতালৈ মই গভীৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

এই শুভ মুহূৰ্তত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি শ্বহীদ হোৱা অসম আৰক্ষীৰ সুদক্ষ বিষয়া ভাস্কৰ কলিতালৈও মই শ্ৰদ্ধা নিৱেদন কৰিছোঁ। স্বাধীনতা দিৱসত অসম মাতৃৰ এই গৰাকী সু-সন্তানলৈ কেন্দ্ৰীয় চৰকাৰে মৰণোত্তৰভাৱে আগবঢ়োৱা 'আৰক্ষী সাহসিকতা বঁটা'ই অসমবাসীক গৰ্বিত কৰিছে। এই গৰাকী শ্বহীদৰ ত্যাগ ৰাজ্যবাসীৰ বাবে এক আদৰ্শ হৈ ইতিহাসৰ পাতত সদায় জিলিকি থাকিব।

শ্ৰদ্ধেয় ৰাইজ,

"দেশেই মোৰ ধ্যান-জ্ঞান, দেশেই মোৰ ভগৱান, সাধ্য আৰাধ্য পৰমেশ"। অসম কেশৰী অম্বিকাগিৰী ৰায় চৌধুৰীৰ কবিতাৰ এই অমৰ পংক্তিয়ে প্ৰতিগৰাকী ভাৰতীয়ৰ মন আৰু হৃদয় উজ্জীৱিত কৰে।

এই ভাবেৰে অনুপ্ৰাণিত হৈ বিকশিত ভাৰতৰ ৰূপকাৰ সৎ, নিষ্ঠাবান, কঠোৰ পৰিশ্ৰমী, বিচক্ষণ ৰাষ্ট্ৰ নেতা মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই অখণ্ড ভাৰতবৰ্ষৰ ভেটি সবল কৰিবলৈ গ্ৰহণ কৰা ঐতিহাসিক পদক্ষেপৰ বাবে মই তেখেতক ধন্যবাদ জনাইছোঁ। দেশবাসীয়ে বিগত ৭ টা দশক ধৰি 'এক বিধান, এক প্ৰধান আৰু এক নিচান'ৰ বাবে দেখি অহা সপোন মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়া আৰু মাননীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ বলিষ্ঠ পদক্ষেপে সাৰ্থক কৰিলে। এই যুগান্তকাৰী পদক্ষেপৰ বাবে মই তেখেত সকলক আন্তৰিক শলাগ জনাইছোঁ। এই শুভ মুহূৰ্তত মই আদৰ্শবাদী নেতা ড° শ্যামাপ্ৰসাদ মুখাৰ্জী দেৱকো শ্ৰদ্ধাৰে সুঁৱৰিছো।

গুণীয়েহে গুণৰ মূল বুজে, এই আপ্তবাক্যশাৰী সত্যতা প্ৰমাণ কৰি মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই বিশ্ব বৰেণ্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন'ৰে সন্মানিত কৰাৰ বাবে অসমবাসীয়ে আজি গৰ্বিত অনুভৱ কৰিছে। অসমৰ জনতাৰ আৱেগ অনুভূতিক সদায়ে প্ৰাধান্য দিয়া মাননীয় মোদী ডাঙৰীয়াই এই ঐতিহাসিক পদক্ষেপৰ দ্বাৰা ৰাজ্যবাসীৰ বহুদিনীয়া আকাংক্ষাক বাস্তৱ ৰূপ প্ৰদান কৰিলে।

আজি মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দেৱৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে 'সৱকা সাথ-সৱকা বিকাশ-সৱকা বিশ্বাস' নীতিৰে ভাৰতবৰ্ষক বিশ্বগুৰু ৰূপে গঢ়িবলৈ অগ্ৰসৰ হৈছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ

আমাৰ চৰকাৰেও অসম মাতৃক ভাৰতবৰ্ষৰ শক্তিশালী অংগ ৰূপে গঢ়িবলৈ বিগত ৩৯ মাহে সততা, নিষ্ঠা, স্বচ্ছতা আৰু দায়বদ্ধতাৰে কাম কৰিছে।

ৰাজ্যৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ বৃহত্তৰ অসমীয়া জাতিৰ মাটি-ভেটিৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ আমাৰ চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে।

এসময়ত ৰাজ্যত এনে এক শংকাৰ পৰিৱেশে বিৰাজ কৰিছিল যেতিয়া জনসাধাৰণে স্বাধীনতা দিৱসত অংশ গ্ৰহণ কৰিবলৈ ভয় কৰিছিল। স্বাধীনতা দিৱসত অংশ ল'বলৈ অহা ফুলকুমলীয়া শিশুক সন্ত্ৰাসবাদীয়ে হত্যা কৰিছিল।

এতিয়া সময় সলনি হৈছে। পৰিৱৰ্তনৰ বতাহে ৰাজ্যৰ চাৰিওদিশ চুই গৈছে। আমাৰ চৰকাৰে বিগত তিনি বছৰে ৰাইজৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণেৰে তিনি দিনীয়া কাৰ্যসূচীৰে স্বাধীনতা দিৱস উদযাপন কৰি আহিছে আৰু চলিত বৰ্ষতো একে ধৰণে এই দিৱস পালনৰ ব্যৱস্থা কৰিছে। আমাৰ চৰকাৰে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ বৃহত্তৰ অসমবাসীক লগত লৈ এখন সমৃদ্ধিশালী অসম নিৰ্মাণৰ যাত্ৰাত দৃঢ়তাৰে আগবাঢ়িছে। ৰাজ্যৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন বিকশিত আৰু সুৰক্ষিত অসম গঢ়িবলৈ আমাৰ চৰকাৰে দিনে-নিশাই কাম কৰিছে।

শ্ৰদ্ধেয় ৰাইজ,

অসমৰ জনগণে বিগত চাৰিটা দশক জুৰি সাংবিধানিক ৰক্ষা কৱচৰ বাবে কৰি অহা সংগ্ৰাম আজি বাস্তৱায়িত হোৱাৰ দিশে আগবাঢ়িছে। অসম চুক্তিৰ ৬ নং দফা ৰূপায়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে উচ্চস্তৰীয় কমিটি গঠনৰ জৰিয়তে ৰাজ্যখনৰ জনসাধাৰণৰ ভৱিষ্যৎ সুৰক্ষাৰ বাবে যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিলে।

আনহাতে ৰাজ্যখনত ইতিপূৰ্বে থকা জনজাতি সমূহৰ স্বাৰ্থ আৰু অধিকাৰ ব্যাহত নকৰাকৈ ৬ টা জনগোষ্ঠী ক্ৰমে টাই-আহোম, মৰাণ, মটক, চুতীয়া,

কোঁচ-ৰাজবংশী তথা চাহ-জনগোষ্ঠী/আদিবাসীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তই এই জনগোষ্ঠী সমূহৰ অধিকাৰ চিৰকাল সুৰক্ষিত কৰাৰ পথ প্ৰশস্ত কৰিছে।

শ্ৰদ্ধেয় ৰাইজ,

বিদেশী মুক্ত অসম নিৰ্মাণ আমাৰ চৰকাৰৰ অন্যতম লক্ষ্য। সেই উদ্দেশ্যে মাননীয় উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তত্বাৱধানত এন আৰ চিৰ চূড়ান্ত তালিকা প্ৰকাশৰ বাবে চলি থকা প্ৰক্ৰিয়াত আমাৰ চৰকাৰে ভাৰতৰ মহাপঞ্জীয়ক তথা কেন্দ্ৰীয় চৰকাৰক পূৰ্ণ সহযোগিতা আগবঢ়াই আহিছে। বিকাশৰ বিভিন্ন কাম বাদ দিও অসম চৰকাৰৰ ৫৫ হাজাৰ বিষয়া-কৰ্মচাৰী আৰু বহু সংখ্যক আৰক্ষীয়ে এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াত একনিষ্ঠভাৱে সেৱা আগবঢ়াই আহিছে।

আমি আশা কৰোঁ মাননীয় উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত চলি থকা এই প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ উঠিলে অসমবাসীয়ে এনে এখন ঐতিহাসিক দস্তাবেজ লাভ কৰিব য'ত এজনো বিদেশীৰ নাম অন্তৰ্ভুক্ত নহয় আৰু এজনো ভাৰতীয়ৰ নাম বাদ নপৰে। এখন শুদ্ধ আৰু ত্ৰুটিমুক্ত এন আৰ চিৰ স্বাৰ্থতহে আমাৰ চৰকাৰে মাননীয় উচ্চতম ন্যায়ালয়ক চলিত এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণৰ বাবে ব্যৱস্থা কৰিবলৈ আবেদন জনাইছিল। এইখিনিতে আমি স্পষ্ট কৰিব বিচাৰো যে অসমত বসবাস কৰা প্ৰতি গৰাকী বৈধ ভাৰতীয় নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ আমাৰ চৰকাৰ দায়বদ্ধ।

আমাৰ চৰকাৰে জাতি-মাটি-ভেটিৰ সুৰক্ষা কেৱল শ্ল'গান হিচাপে গ্ৰহণ কৰা নাই। বৰঞ্চ এই আদৰ্শেৰে বৃহত্তৰ অসমবাসীৰ ভাষা-কৃষ্টি-সংস্কৃতি আৰু ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ দিশত এলানি বাস্তৱমুখী পদক্ষেপ গ্ৰহণ কৰিছে।

শ্ৰদ্ধেয় ৰাইজ,

ভূমিৰ অধিকাৰ অবিহনে কোনো জাতিৰ অস্তিত্ব সুৰক্ষিত নহয়। এই কথা উপলব্ধি কৰি আমাৰ চৰকাৰে ৰাজ্যৰ ভূমিহীন পৰিয়ালৰ অধিকাৰ আৰু সুৰক্ষাৰ বাবে এক নতুন নীতি শীঘ্ৰে কাৰ্যকৰী কৰাৰ দিশত আগবাঢ়িছে।

স্বাধীনতাৰ বিগত সাতটা দশকে জৰীপ নোহোৱাকৈ থকা ৰাজ্যৰ ৯০০ তকৈও অধিক গাঁৱৰ জৰীপ কৰি ভূমিহীন পৰিয়ালক মাটিৰ পট্টা দিয়াৰ পদক্ষেপ লৈছে।

আমাৰ চৰকাৰে ৰাজ্যৰ ভূমিহীন পৰিয়াল আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সকলক মাটিৰ পট্টা প্ৰদানৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিছে আৰু চলিত বৰ্ষত আমাৰ চৰকাৰে ৰাজ্যৰ ১ লাখ ভূমিহীন পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰিব। ইতিমধ্যে কাজিৰঙা অভয়াৰণ্যকে ধৰি ৰাজ্যৰ সংৰক্ষিত বনাঞ্চল আৰু চৰকাৰী ভূমিৰ পৰা বেদখলকাৰীক উচ্ছেদ কৰি আমাৰ চৰকাৰে বহু হাজাৰ বিঘা ভূমি বেদখলমুক্ত কৰি সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

পূৰ্বৰ সময়ছোৱাত ৰাজ্যখনত অসমৰ স্বাভিমানৰ প্ৰতীক এশিঙীয়া গঁড়ৰ নিধন যজ্ঞ চলিছিল। এই অবিবেচক কাণ্ড ৰোধ কৰাটো আমাৰ চৰকাৰে জাতীয় দায়িত্ব হিচাপে গ্ৰহণ কৰিছে। দ্ৰুত বিচাৰ প্ৰক্ৰিয়াৰ বাবে ফাষ্ট ট্ৰেক কৰ্ট গঠনকে ধৰি চোৰাং চিকাৰীৰ বিৰুদ্ধে আমাৰ চৰকাৰে গ্ৰহণ কৰা বাস্তৱমুখী পদক্ষেপৰ ফলত ৰাজ্যত আজি উল্লেখনীয়ভাবে গঁড় হত্যা হ্ৰাস পাইছে। তদুপৰি আমাৰ চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বানপানীৰ পৰা জীৱ-জন্তু ৰক্ষা পাবলৈ ৩৩ টা হাইলেণ্ড নিৰ্মাণ কৰি পশু খাদ্য আৰু চিকিৎসাৰ ব্যৱস্থা কৰিছে। ইয়াৰ ফলশ্ৰুতিত এইবাৰ বানপানীৰ সময়ত জীৱ-জন্তু সমূহে যথেষ্ট সকাহ লাভ কৰা পৰিলক্ষিত হৈছে।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যৰ বিভিন্ন স্থানত থকা সত্ৰ, নামঘৰ, দেৱালয় তথা বিভিন্ন ধৰ্মীয় অনুষ্ঠান সমূহ অসমৰ কৃষ্টি-সংস্কৃতিৰ কেন্দ্ৰবিন্দু। এই ধৰ্মীয় অনুষ্ঠান সমূহৰ সুৰক্ষা, বিকাশৰ বাবে আমাৰ চৰকাৰ দায়বদ্ধ। দুৰ্ভাগ্যবশতঃ আমাৰ সাংস্কৃতিক ঐতিহ্যৰ এই প্ৰতীকসমূহ সময়ৰ গতিত বেদখলৰ কবলত পৰিছে।

প্ৰয়োজনীয় আইনৰ অভাৱত চৰকাৰে ইমানদিনে সত্ৰ, নামঘৰ, দেৱালয় আদিৰ বেদখলকৃত ভূমি বেদখলমুক্ত কৰিব পৰা নাছিল। সেয়েহে, আমাৰ চৰকাৰে বিধানসভাৰ শেহতীয়া অধিৱেশনত ইতিপূৰ্বে কাৰ্যকৰী হৈ থকা বিধিৰ সংশোধন ঘটাই ৰাজ্যৰ প্ৰাচীন ধৰ্মীয় অনুষ্ঠানসমূহৰ ভূমি বেদখল মুক্ত কৰাৰ পদক্ষেপ লৈছে।

তদুপৰি 'অসম দৰ্পন' আঁচনিৰ অধীনত সত্ৰ, নামঘৰ, দ'ল-দেৱালয় আদিলৈ আগবঢ়োৱা বাৰ্ষিক আৰ্থিক সাহায্য ২ লাখ টকাকৈ বৃদ্ধি কৰাৰ লগতে এই আঁচনিৰ অধীনত নিৰ্বাচিত ধৰ্মীয় অনুষ্ঠানৰ সংৰক্ষণ তথা সংবৰ্দ্ধনৰ বাবে আমাৰ চৰকাৰে আৰ্থিক সাহায্য আগবঢ়োৱাৰ পদক্ষেপ লৈছে।

শ্ৰদ্ধেয় ৰাইজ,

ইতিহাস অবিহনে কোনো জাতিৰ ভৱিষ্যৎ গঢ় ল'ব নোৱাৰে। ইতিহাসৰ জ্ঞান অবিহনে ভৱিষ্যৎ প্ৰজন্মই শক্তিশালী ভেটি গঢ়িব নোৱাৰে। স্বৰ্গদেউ চাওলুং চুকাফা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ আৰু আজান ফকীৰৰ সমন্বয় আৰু সহাৱস্থানৰ আদৰ্শৰে গঢ় লৈ উঠা বৃহত্তৰ অসমীয়া সমাজৰ ইতিহাস অতিশয় চহকী।

আমাৰ ইতিহাস আৰু ঐতিহ্য ভৱিষ্যৎ প্ৰজন্মৰ বাবে সুৰক্ষিত কৰিবলৈ আমাৰ চৰকাৰ দায়বদ্ধ। এই উদ্দেশ্যৰে আমাৰ চৰকাৰে বিস্তৃত কাৰ্যসূচী গ্ৰহণ

কৰিছে। ৰাজ্যখনৰ ঐতিহাসিক কীৰ্তিচিহ্ন সমূহৰ সংৰক্ষণৰ লগতে প্ৰতিটো জাতি-জনগোষ্ঠীৰ ৰীতি-নীতি-পৰম্পৰাসমূহ জীয়াই ৰখাৰ বাবে আমাৰ চৰকাৰে কাম কৰি আছে।

ভাষা হৈছে এটা জাতিৰ মেৰুদণ্ড। আমি বিশ্বাস কৰো যে মৌলিক উদ্ভাৱন আৰু সৃজনীশীল প্ৰতিভাৰ বিকাশ ঘটাবলৈ মাতৃভাষা কেন্দ্ৰিক সাংস্কৃতিক পৰিৱেশৰ খুবেই প্ৰয়োজন। অসমৰ জাতি-জনগোষ্ঠী সমূহৰ সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ, প্ৰসাৰ আৰু বিকাশ সেয়েহে আমাৰ চৰকাৰৰ অন্যতম লক্ষ্য।

এই উপলব্ধিৰে আমাৰ চৰকাৰে ৰাজ্যৰ জাতি-জনগোষ্ঠী সমূহৰ ভাষা সমূহ সংৰক্ষণৰ বাবে 'ভাষা গৌৰৱ' আঁচনি ৰূপায়নৰ বাবে আগবাঢ়িছে। এই আঁচনিৰ অধীনত জনগোষ্ঠীয় ভাষাসমূহৰ গৱেষণাৰ বাট মুকলি কৰাৰ লগতে ভাষাসমূহৰ ব্যাকৰণ, গ্ৰন্থ, অভিধান তথা বিশ্বকোষ আদি প্ৰকাশৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যৰ ভৌগোলিক পৰিসীমা অতিক্ৰম কৰি অসমৰ বহু সন্তানে নিজৰ মেধা, বুদ্ধিমত্তা আৰু অনন্য প্ৰতিভাৰে দেশে-বিদেশে জিলিকি উঠিছে। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিশ্বৰ বিভিন্ন দেশত আজি প্ৰৱাসী অসমীয়া সমাজ গঢ় লৈ উঠিছে। ৰাজ্যত বসবাস কৰা অসমবাসীৰ লগতে প্ৰৱাসী অসমীয়া সকলৰ প্ৰতিও আমাৰ চৰকাৰ দায়বদ্ধ।

এই সকল প্ৰৱাসী অসমীয়াৰ শিপাৰ সৈতে সম্পৰ্ক যাতে নিবিড় হৈ থাকে সেই দিশত আমাৰ চৰকাৰে চিন্তা-চৰ্চা কৰিছে। অসমৰ এই সকল সন্তানে শাৰিৰীক, মানসিক আৰু কৰ্মক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাৰাজিৰ পৰা তেওঁলোকক সকাহ দিয়াৰ মানসেৰে আমাৰ চৰকাৰে বুজন সংখ্যক অসমীয়া লোক বসবাস কৰা দেশৰ মহানগৰ সমূহত কল্যাণ বিষয়া নিয়োগ কৰাৰ লগতে জাতীয় উৎসৱ উদযাপন তথা নামঘৰ প্ৰতিষ্ঠা কৰাৰ দৰে পদক্ষেপ গ্ৰহণৰ সিদ্ধান্ত লৈছে।

শিক্ষা, কৰ্মসংস্থাপন তথা তীৰ্থ যাত্ৰাৰ বাবে দেশৰ বিভিন্ন স্থানলৈ যোৱা ৰাজ্যৰ লোকসকলে সন্মুখীন হোৱা সমস্যা সমূহ সমাধান কৰা তথা তেওঁলোকৰ সুৰক্ষা আৰু সহায়ৰ বাবেও আমাৰ চৰকাৰ দায়বদ্ধ।

এই ক্ষেত্ৰত বিগত এপ্ৰিল মাহৰ শেষৰ ভাগত ওড়িশাত সামুদ্ৰিক ঘূৰ্ণি বতাহ 'ফণি'য়ে ধ্বংসলীলা চলোৱাৰ সময়ত পুৰী আৰু ভুবনেশ্বৰত আৱদ্ধ হৈ পৰা অসমৰ লোকসকলক সুকলমে ৰাজ্যলৈ ওভতাই অনাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ কথা অসমবাসীৰ জ্ঞাত।

ৰাজ্যৰ বায়ু-পানীৰ সংস্পৰ্শত ডাঙৰ-দীঘল হোৱা যি সকল অসম সন্তান বিদেশত স্বকীয় প্ৰতিভাৰে উজলি উঠিছে তেখেত সকললৈ স্বাধীনতা দিৱসৰ এই শুভ মুহূৰ্তত মই প্ৰণাম জনাইছোঁ। সেই সকল অসম সন্তানক মই বৃহত্তৰ অসমীয়া জাতি সত্বাৰ বিকাশৰ অংশীদাৰ হৈ ৰাজ্যৰ উন্নয়নক নতুন মাত্ৰা প্ৰদান কৰিবলৈ আগবাঢ়ি অহাৰ বাবে বিনম্ৰভাৱে অনুৰোধ জনাব বিচাৰিছো।

শ্ৰদ্ধেয় ৰাইজ,

আমাৰ চৰকাৰে বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সম বিকাশৰ বাবে দায়বদ্ধতাৰে কাম কৰিছে। বৰাক উপত্যকাত মিনি সচিবালয় নিৰ্মাণৰ বাবে ইতিমধ্যে পদক্ষেপ লোৱা হৈছে। চৰকাৰৰ এই পদক্ষেপৰ ফলত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হোৱাৰ লগতে বৰাকবাসীয়ে কম সময়ৰ ভিতৰতে উন্নত মানৰ সেৱা লাভ কৰিবলৈ সক্ষম হ'ব। আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰতো বৰাক উপত্যকাৰ তিনিওখন জিলাত আজি পৰিৱৰ্তনৰ নতুন দিগন্তৰ সূচনা হৈছে।

কৰিমগঞ্জত ইতিমধ্যে এখন অভিযান্ত্ৰিক মহাবিদ্যালয় মুকলি কৰাৰ লগতে নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত আমাৰ চৰকাৰে গ্ৰহণ কৰিছে। সেইদৰে শিলচৰত স্বামী বিবেকানন্দৰ নামেৰে আন্তৰ্জাতিক যুব কেন্দ্ৰ নিৰ্মাণকে ধৰি বহু উন্নয়নমুখী পদক্ষেপৰ সূচনা হৈছে।

সেইদৰে বিটিচিৰ চাৰিখন জিলা ক্ৰমে কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি তথা ৰাজ্যৰ পাহাৰীয়া জিলা ক্ৰমে কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ আন্তঃগাঁথনিকে ধৰি সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক সুৰক্ষা আৰু বিকাশৰ বাবে বিগত তিনি বছৰে আমাৰ চৰকাৰে অবিৰতভাবে পদক্ষেপ গ্ৰহণ কৰি আহিছে।

আমাৰ চৰকাৰে কোকৰাঝাৰ জিলাত চিকিৎসা মহাবিদ্যালয় আৰু ডিমা হাচাও জিলাৰ ওমৰাংচ'ত আনন্দৰাম বৰুৱাৰ নামেৰে অসম অসামৰিক সেৱাৰ বিষয়াৰ প্ৰশিক্ষণৰ বাবে আন্তঃৰাষ্ট্ৰীয় মানৰ প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠাৰ পদক্ষেপ লৈছে। সেইদৰে কাৰ্বি আংলং জিলাৰ ডিফুত নিৰ্মাণ কৰা চিকিৎসা মহাবিদ্যালয় শীঘ্ৰে কাৰ্যক্ষম হৈ উঠিব।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰাৰে পৰা আমাৰ চৰকাৰে দুৰ্নীতি মুক্ত, বিদেশী মুক্ত, সন্ত্ৰাসবাদ মুক্ত আৰু প্ৰদূষণ মুক্ত অসম নিৰ্মাণৰ প্ৰতিশ্ৰুতি বাস্তৱায়িত কৰিবলৈ দিনে-নিশাই কাম কৰি আহিছে।

দুৰ্নীতিৰ বিৰুদ্ধে শূণ্য সহনশীল নীতি গ্ৰহণ কৰি আমাৰ চৰকাৰে বলিষ্ঠতাৰে গ্ৰহণ কৰা পদক্ষেপ অসমৰ ৰাইজে প্ৰত্যক্ষ কৰিছে। অসম লোকসেৱা আয়োগকে ধৰি বিভিন্ন বিভাগত সংঘটিত দুৰ্নীতি উদঘাটন কৰি দুৰ্নীতিকাৰীৰ বিৰুদ্ধে আমাৰ চৰকাৰে দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

আমাৰ চৰকাৰৰ দুৰ্নীতি বিৰোধী অভিযানৰ ফলত অসমৰ ৰাইজৰ মাজত প্ৰশাসন ব্যৱস্থাটোৰ প্ৰতি আস্থা আৰু বিশ্বাস ঘূৰি আহিছে। নতুন প্ৰজন্মৰ প্ৰত্যয় জন্মিছে যে কেৱল মেধা আৰু যোগ্যতাৰ বলত চৰকাৰী চাকৰি লাভ কৰাটো সম্ভৱ। সেইদৰে চৰকাৰী কামৰ আৱণ্টনৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বচ্ছ প্ৰক্ৰিয়া সূচনা হোৱাৰ ফলত ৰাজ্যৰ যুৱক-যুৱতীসকলে নিৰ্মাণ খণ্ডকে ধৰি বিভিন্ন ক্ষেত্ৰত জড়িত হ'বলৈ সুযোগ লাভ কৰিছে।

আজি চৰকাৰী কৰ্মচাৰী সকলৰ মাজত কৰ্ম সংস্কৃতি উল্লেখনীয়ভাবে বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে। ইয়াৰ ফলত ৰাজহ আয় যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। সেইদৰে ব্যয়ৰ ক্ষেত্ৰত ৰাজ্যখনত ২০১৪-১৫ বিত্তীয় বৰ্ষত ৪২ হাজাৰ কোটি টকা ব্যয় হোৱাৰ বিপৰীতে আমাৰ চৰকাৰে ৰাজ্যৰ ইতিহাসত নজিৰ সৃষ্টি কৰি ২০১৭-১৮ বিত্তীয় বৰ্ষত ৭০ হাজাৰ কোটি টকা ব্যয়ৰে নতুন অভিলেখ ৰচিবলৈ সক্ষম হৈছে। ইয়াৰ ফলত ৰাজ্যখনত উন্নয়নে নতুন গতি লাভ কৰিছে।

আজি ৰাজ্যৰ আইন-শৃংখলা উল্লেখনীয়ভাৱে উন্নত হৈছে। ৰাজ্যৰ উন্নত আইন-শৃংখলাৰ বাবে আমি অসম আৰক্ষীৰ ভূমিকাৰ শলাগ ল'বই লাগিব। অসম আৰক্ষীৰ মাজত আজি কৰ্ম উদ্যমিতা আৰু পেছাদাৰী মনোভাৱ গঢ় লৈ উঠিছে। এইখিনিতে অসম আৰক্ষীৰ তিনি গৰাকী সুদক্ষ বিষয়াই অনুসন্ধানৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা বিশেষ পাৰদৰ্শিতাৰ বাবে ২০১৯ বৰ্ষৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ 'মেডেল ফৰ এক্সিলেঞ্চ ইন ইনভেষ্টিগেশ্যন' লাভ কৰি অসম আৰক্ষীক গৌৰৱান্বিত কৰা বাবে মই তিনিওগৰাকী আৰক্ষী বিষয়াক অভিনন্দন জনাইছোঁ। অসম আৰক্ষীক অধিক পেছাদাৰী মনোভাৱেৰে আগুৱাই নিয়াৰ লক্ষ্যৰে আমাৰ চৰকাৰে ইতিমধ্যে দেৰগাঁৱত আন্তঃৰাষ্ট্ৰীয় মানৰ পুলিচ অকাডেমি নিৰ্মাণৰ পদক্ষেপ লৈছে।

শ্ৰদ্ধেয় ৰাইজ,

মহান ভাৰতীয় সভ্যতা-সংস্কৃতিৰ অন্যতম ভেটি ঋক্‌বেদত উল্লেখ আছে যে য'ত নাৰীক পূজা কৰা হয়, ঈশ্বৰ তাতে বাস কৰে। আমাৰ সমাজৰ মূলাধাৰ নাৰীসকলৰ মান-সন্মান আৰু স্বাভিমান সুৰক্ষিত কৰিবলৈ আমাৰ চৰকাৰ অঙ্গীকাৰবদ্ধ। সেয়েহে নাৰীৰ সন্মান হানিকৰ ঘটনাত জড়িত অভিযুক্তৰ বিৰুদ্ধে আমাৰ চৰকাৰে তাৎক্ষণিকভাৱে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে। বীৰ শ্বহীদৰ পত্নীৰ প্ৰতি অপমানসূচক মন্তব্য কৰা দুষ্কৃতিকাৰীক প্ৰবল প্ৰতিৰোধ নেওচি কাশ্মীৰৰ পৰা গ্ৰেপ্তাৰ কৰি অসমলৈ অনাকে ধৰি নাৰীৰ বিৰুদ্ধে অপৰাধত জড়িত প্ৰতিটো অপৰাধীক আমাৰ চৰকাৰে কৰায়ত্ত কৰিছে।

সেইদৰে ৰাজ্যৰ গুৱাহাটী, বটদ্ৰৱা, যমুনামুখ, লামডিং, চাপটগ্ৰাম আদি ঠাইত নাৰী আৰু কিশোৰীৰ মৰ্যাদা হানি কৰা জঘন্যতম অপৰাধত জড়িত সকলক আৰক্ষীয়ে ক্ষিপ্ৰতাৰে গ্ৰেপ্তাৰ কৰিছে। ফাষ্ট ট্ৰেক কৰ্টত তৎকালীনভাৱে সেই গোচৰ সমূহ নিষ্পত্তি কৰি অপৰাধীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ পদক্ষেপ লৈছে। ইয়াৰ ফলত নাৰীৰ বিৰুদ্ধে সংঘটিত অপৰাধ বহু পৰিমাণে হ্ৰাস পোৱাটো পৰিলক্ষিত হৈছে।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যৰ প্ৰাকৃতিক সম্পদৰাজি ৰাজ্যবাসীৰ সৰ্বাঙ্গীন বিকাশত উপযুক্তভাৱে যাতে ব্যৱহৃত হয় সেই দিশত আমাৰ চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। প্ৰদূষণ মুক্ত অসম নিৰ্মাণৰ লক্ষ্যক আগুৱাই নিবলৈ আমি শৃংখলাবদ্ধ পদক্ষেপেৰে আগবাঢ়িছোঁ।

প্ৰকৃতিৰ সেউজ আৱৰণে ৰাজ্যখন যাতে সদায় আবৰি থাকে তাৰ বাবে আমাৰ চৰকাৰে বৃক্ষৰোপনত গুৰুত্ব আৰোপ কৰিছে। আমাৰ চৰকাৰে ৰাজ্যখনত ১০ কোটি গছ পুলি ৰোপনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। ৰাজ্যখনত 'ৰেইন ৱাটাৰ হাৰ্ভেষ্টিং' জনপ্ৰিয়কৰণৰ বাবে আমাৰ চৰকাৰে পদক্ষেপ লৈছে। এখন স্বচ্ছ আৰু সেউজ অসম গঢ়িবলৈ আমাৰ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপত ৰাজ্যবাসীক সহযোগিতাৰে আগবাঢ়ি আহিবলৈ এই শুভ মূহুৰ্তত মই আহ্বান জনাইছোঁ।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যখনত সাম্প্ৰতিক বানত প্ৰভাৱিত হৈ ক্ষয়-ক্ষতিৰ সন্মুখীন হোৱা প্ৰতি গৰাকী লোকৰ প্ৰতি মই সহমৰ্মিতা প্ৰকাশ কৰিছো। শেহতীয়া বানত অকাল মৃত্যুক সাবটি লোৱা ব্যক্তি সকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে পৰিয়াল সমূহৰ প্ৰতিও মই গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

বানাক্রান্ত সকলৰ দুখ-দুৰ্দশা লাঘৱৰ বাবে উদ্ধাৰ আৰু সাহায্যকে ধৰি আমাৰ চৰকাৰে যথাসম্ভৱ সকলো পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি বানত প্ৰাণ হেৰুওৱা ব্যক্তিসকলৰ আত্মীয়ক ৪৮ ঘন্টাৰ ভিতৰত এককালীন আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

বানৰ দ্বাৰা প্ৰভাৱিত লোকসকলৰ সহায়ৰ বাবে ৰাজ্যৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ বহু লোক আগবাঢ়ি আহিছে। তেখেত সকললৈ আমি ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। আমি মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু মাননীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াকো ধন্যবাদ জনাব বিচাৰিছোঁ। দুয়োগৰাকী নেতাই নিয়মীয়াকৈ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ৰাজ্য চৰকাৰক পৰ্যাপ্ত সহায় আগবঢ়াইছে।

আমাৰ চৰকাৰে বানপানী আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে বাস্তৱমুখী পদক্ষেপ গ্ৰহণ কৰিছে। ইতিমধ্যে মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াৰ নিৰ্দেশত বান-গৰাখহনীয়াৰ সমাধান সূত্ৰ উলিয়াবলৈ নিটি আয়োগৰ উপাধ্যক্ষৰ নেতৃত্বত গঠন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ উচ্চস্তৰীয় কমিটিয়ে "উত্তৰ-পূব জল ব্যৱস্থাপনা প্ৰাধিকৰণ" গঠনৰ পৰামৰ্শ আগবঢ়াইছে। ৰাজ্যৰ বান-গৰাখহনীয়া সমস্যা সমাধানত এই পদক্ষেপে সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব বুলি আমি আশাবাদী।

শ্ৰদ্ধেয় ৰাইজ,

আমাৰ চৰকাৰে ৰাজ্যত আয়োজন কৰা বিশ্ব বিনিয়োগ সন্মিলনৰ ফলশ্ৰুতিত ২০১৮ বৰ্ষৰ ফেব্ৰুৱাৰীৰ পৰা বৰ্তমানলৈ ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত ৫৩ হাজাৰ কোটিৰো অধিক টকাৰ বিনিয়োগৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ইতিমধ্যে উদ্যোগ তথা সেৱা খণ্ডত বুজন সংখ্যক উদ্যোগে ব্যৱসায়িক উৎপাদন আৰম্ভ কৰিছে।

কৰ্ম ক্ষেত্ৰত ৰাজ্যৰ যুৱক-যুৱতী সকলে যাতে প্ৰথম সুযোগ লাভ কৰে সেই উদ্দেশ্যে আমাৰ চৰকাৰে অসমত উদ্যোগ প্ৰতিষ্ঠা কৰা কোম্পানী সমূহে নিয়মীয়া অথবা পূৰ্ণকালীন ভিত্তিত নিযুক্তি প্ৰদান কৰা প্ৰতি গৰাকী থলুৱা কৰ্মচাৰীৰ বিপৰীতে কোম্পানীটোক উদগণিমূলক আৰ্থিক সাহায্য প্ৰদানৰ সিদ্ধান্ত লৈছে। সেইদৰে ৰাজ্য চৰকাৰৰ পৰা সা-সুবিধা লাভ কৰা উদ্যোগসমূহত পৰিচালক পৰ্যায়ত ৮০ শতাংশ আৰু কৰ্মচাৰী পৰ্যায়ত ৯০ শতাংশ পদত থলুৱাক নিযুক্তি দিয়াটো বাধ্যতামূলক কৰিবলৈ ৰাজ্যিক কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে।

আনহাতে ৰাজ্যৰ যুৱক-যুৱতী সকলক দক্ষ আৰু যোগ্য কৰি তুলিবলৈ কৌশল বিকাশৰ ক্ষেত্ৰত আমাৰ চৰকাৰে বিশেষ প্ৰাধান্য দিছে।

শ্ৰদ্ধেয় ৰাইজ,

মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপে ৰাজ্যবাসীৰ মনলৈ নতুন বিশ্বাস কঢ়িয়াই আনিছে।

এই বিশ্বাসৰ ফচল হিচাপে আজি অসমৰ কৃষকে নিজৰ উৎপাদিত সামগ্ৰী লণ্ডন, ডুবাইৰ বজাৰত বিক্ৰী কৰিবলৈ সক্ষম হৈছে।

কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা 'এক্ট ইষ্ট পলিচি'য়ে দক্ষিণ-পূব এচিয়াৰ সৈতে অসমৰ অৰ্থনৈতিক বিকাশ, সাংস্কৃতিক আৰু সামাজিক ভাব-বিনিময়ৰ নতুন সম্ভাৱনা কঢ়িয়াই আনিছে।

স্থলপথ, জলপথ, ৰে'লপথ আৰু আকাশীপথৰ উন্নয়ন সাধনেৰে যোগাযোগ ক্ষেত্ৰখনলৈ কঢ়িয়াই অনা পৰিৱৰ্তনে নতুন সম্ভাৱনাৰ সূচনা কৰিছে। বিমান পৰিবহনৰ দিশত 'উড়ান ইণ্টাৰনেশ্যনেল' আঁচনিৰ অধীনত ইতিমধ্যে গুৱাহাটী-ঢাকা সংযোগী বিমান সেৱা আৰম্ভ হৈছে। শীঘ্ৰে আছিয়ান দেশসমূহলৈও বিমান সেৱা আৰম্ভ হ'ব।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণক মৰ্যাদাসম্পন্ন জীৱন প্ৰদানৰ লক্ষ্যৰে আমাৰ চৰকাৰে একাধিক পদক্ষেপ গ্ৰহণ কৰিছে। সমাজৰ প্ৰতিটো শ্ৰেণীক সামাজিক সুৰক্ষা প্ৰদানৰ বাবে 'শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি', "কনকলতা মহিলা সৱলীকৰণ আঁচনি", "দীনদয়াল দিব্যাংগ সাহায্য আঁচনি", "ইন্দিৰা মিৰি বিধৱা পেঞ্চন আঁচনি" আদিকে ধৰি বিভিন্ন জনকল্যাণমূলক আঁচনি গ্ৰহণ কৰিছে।

ৰাজ্যখনৰ কৃষক সকলৰ উপাৰ্জন দুগুণ কৰাৰ লগতে কৃষিখণ্ডৰ উন্নয়ন সাধনৰ বাবে কৃষক সকলক ট্ৰেক্টৰ যোগানকে ধৰি 'কৃষকৰ ঋণ ৰাজসাহায্য আঁচনি', কৃষকৰ সুদ ৰেহাই আঁচনি' আৰু 'কৃষকৰ আৰ্থিক উদগণিমূলক আঁচনি'কে ধৰি কেইবাখনো আঁচনি ৰূপায়ন কৰি থকা হৈছে।

মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই উত্তৰ-পূৰ্বাঞ্চলক 'জৈৱিক ক্ষেত্ৰ' ৰূপে গঢ়ি তোলাৰ কথা ইতিমধ্যে ঘোষণা কৰিছে। তেখেতৰ এই লক্ষ্য বাস্তৱায়িত কৰিবলৈ আমাৰ চৰকাৰে জৈৱিক কৃষি কৰ্মত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। এই দিশত সহায়ক হোৱাকৈ ৰাজ্যত এখন জৈৱিক বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে আমাৰ চৰকাৰে চিন্তা-চৰ্চা কৰিছে। তদুপৰি কৃষি খণ্ডত উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে আমাৰ চৰকাৰে কৃষক সকলৰ 'এক্সপ'জাৰ ট্যুৰ'ৰ পদক্ষেপ লৈছে। ৰাজ্যৰ কৃষক সকল যাতে উন্নত, আধুনিক, বিজ্ঞানসন্মত আৰু উদ্ভাৱনীমূলক কৃষি পদ্ধতিৰ সৈতে পৰিচয় হৈ উঠে সেইবাবে আমাৰ চৰকাৰে বিগত বৰ্ষত ৰাজ্যৰ কৃষকৰ এটা দল ভিয়েটনামলৈ লৈ গৈছিল।

প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা, জন-ধন যোজনা, মুদ্ৰা যোজনা, আৱাস যোজনা, সৌভাগ্য আঁচনি, স্বচ্ছ ভাৰত অভিযান আদিৰ জৰিয়তে আমাৰ চৰকাৰে ৰাজ্যখনৰ প্ৰায় সকলো পৰিয়ালৰ মৌলিক প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ সক্ষম হৈছে।

এইখিনিতে উল্লেখ কৰিব বিচাৰো যে প্ৰধানমন্ত্ৰী আৱাস যোজনা ৰূপায়নৰ ক্ষেত্ৰত আমাৰ চৰকাৰে কিছু দিন পূৰ্বে ৰাজ্যত এক নজিৰবিহীন পদক্ষেপ গ্ৰহণ কৰিলে। এই পদক্ষেপৰ অংশ হিচাপে আমাৰ চৰকাৰে ৰাজ্যৰ ৩৩ খন জিলাত একে সময়তে ১ লাখ গৃহ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিছে।

এই পৱিত্ৰ মুহূৰ্তত মই গৌৰৱেৰে ঘোষণা কৰোঁ যে আমাৰ চৰকাৰে আৰ্থ-সামাজিক জাতি পিয়ল অনুসৰি বাচনি কৰা সকলো হিতাধিকাৰীৰ গৃহত অনাময় শৌচাগাৰৰ নিৰ্মাণ সম্পূৰ্ণ কৰিছে। অৱশ্যে আমি এই কথাও প্ৰত্যক্ষ কৰিছোঁ যে আৰ্থ-সামাজিক জাতি পিয়লত অন্তৰ্ভুক্ত নোহোৱা বাবে অনাময় শৌচাগাৰ লাভ কৰিবলৈ যোগ্যতা থকা সত্ত্বেও ৰাজ্যখনৰ বহু পৰিয়াল এই আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হৈ আছে। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ চৰকাৰে ১ লাখ এনে পৰিয়ালৰ গৃহত অনাময় শৌচাগাৰ নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱাৰ সিদ্ধান্তৰ কথা মই ঘোষণা কৰিলোঁ।

আনহাতে ৰাজ্যৰ স্বাস্থ্যখণ্ডত আয়ুস্মান ভাৰত জন আৰোগ্য যোজনা, অটল অমৃত অভিযান, মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় আঁচনি আদিৰ ৰূপায়নৰ যোগেদি সমাজৰ আৰ্থিকভাৱে দুৰ্বল লোক সকলৰ বাবে চিকিৎসা ব্যৱস্থা ব্যয়সাধ্য আৰু সহজলভ্য কৰি তোলা হৈছে।

সেইদৰে 'অন্ন যোজনা'ৰ জৰিয়তে ৰাজ্যৰ ৫২ লাখ পৰিয়ালক প্ৰতি কিলোগ্ৰাম চাউল এটকা দৰত প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। কন্যাৰ বিবাহৰ ক্ষেত্ৰত আৰ্থিকভাৱে দুৰ্বল পিতৃ-মাতৃ সকলক সকাহ দিয়াৰ মানসেৰে প্ৰতিগৰাকী কন্যাক বিবাহৰ সময়ত এক তোলাকৈ সোণ প্ৰদানৰ পদক্ষেপ লোৱা হৈছে। আনহাতে ৰাজ্যৰ ভিতৰুৱা অঞ্চলৰ বাট-পথৰ উন্নয়ন সাধনৰ বাবে 'অসম মালা' নামেৰে এখন অভিলাষী আঁচনিও গ্ৰহণ কৰা হৈছে। তদুপৰি ৰাজ্যৰ কাঠৰ দলং সমূহ পকী দলঙলৈ ৰূপান্তৰ কৰাৰ লক্ষ্যৰে আমাৰ চৰকাৰে 'মহাবীৰ লাচিত আৰু

চিলাৰায় সেঁতু নিৰ্মাণ আঁচনি' গ্ৰহণ কৰিছে। ইতিমধ্যে ৰাজ্যৰ ১০০০ খন কাঠৰ দলং পকী দলঙলৈ পৰিৱৰ্তন কৰাৰ বাবে দ্ৰুত গতিত কাম চলাই থকা হৈছে।

পথ যোগাযোগ ব্যৱস্থাৰ আন্তঃগাঁথনি উন্নত কৰাৰ লগতে যাতায়াত খণ্ডৰ আমূল পৰিৱৰ্তনৰ লক্ষ্যৰে আমাৰ চৰকাৰে পদক্ষেপ লৈছে। এই পদক্ষেপৰ অন্তৰ্গত ৰাজ্যখনত ১০০০ খন নতুন বাছ সেৱা প্ৰাৰম্ভণৰ এখন আঁচনি ইতিমধ্যে আৰম্ভ কৰা হৈছে। আজিৰ এই শুভ মুহূৰ্তত এই আঁচনিখন সম্প্ৰসাৰণ কৰি ৰাজ্যৰ গাঁওসমূহতো উন্নত আৰু সহজলভ্য যাতায়ত ব্যৱস্থা আৰম্ভ কৰা হ'ব বুলি মই ঘোষণা কৰিলোঁ। প্ৰাৰম্ভিক পৰ্যায়ত ৰাজ্যৰ ১০,০০০ খন গাঁৱত পৰ্যায়ক্ৰমে লঘু যাত্ৰীবাহী বাহনৰ সেৱা আৰম্ভ কৰা হ'ব। এই গাড়ী ক্ৰয়ৰ বাবে চৰকাৰে ইচ্ছুক উদ্যোগী অথবা আত্মসহায়ক গোটক ২৫ শতাংশ ৰাজসাহায্যৰে সৰ্বাধিক ১ লাখ টকা পৰ্যন্ত আগবঢ়াব।

চাহ জনগোষ্ঠীয় লোকসকল অসমৰ সামাজিক-সাংস্কৃতিক জীৱনৰ গুৰুত্বপূৰ্ণ অংগ। এই জনগোষ্ঠীৰ লোকে যাতে মৰ্যাদাসম্পন্ন জীৱন লাভ কৰিব পাৰে তাৰ বাবে আমাৰ চৰকাৰে বিত্তীয় অন্তৰ্ভুক্তিকৰণ, মহিলা সৱলীকৰণ, স্বাস্থ্য, শিক্ষা আদি দিশত কেইবালানিও কাৰ্যসূচী ৰূপায়ন কৰি আছে। 'অন্ন আঁচনি'ৰ অধীনত আমাৰ চৰকাৰে চাহ জনগোষ্ঠীৰ প্ৰায় ৬ লাখ পৰিয়ালক বিনামূলীয়াকৈ চাউল যোগানৰ ব্যৱস্থা কৰিছে। তদুপৰি চাহ জনগোষ্ঠীৰ যুৱক-যুৱতী সকলক ব্যৱসায়-বাণিজ্যৰ জৰিয়তে স্বাৱলম্বী কৰি তুলিবলৈ আমাৰ চৰকাৰে পদক্ষেপ লৈছে। ইয়াৰ অংশ হিচাপে চাহ জনগোষ্ঠীৰ ১০ হাজাৰ যুৱক-যুৱতীৰ কৌশল বিকাশৰ বাবে আমাৰ চৰকাৰে বিশেষ পদক্ষেপ লৈছে। পৰৱৰ্তী পৰ্যায়ত নিজাববীয়াকৈ ব্যৱসায় আৰম্ভ কৰিবলৈ এই সকল যুৱক-যুৱতীক ২৫ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব।

সেইদৰে ৰাজ্যৰ সংখ্যালঘু জনসাধাৰণ, অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিক বিকাশৰ বাবেও আমাৰ চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

শ্ৰদ্ধেয় ৰাইজ,

আমি বিশ্বাস কৰো যে এখন সমাজৰ অগ্ৰগামী যাত্ৰাৰ বাবে শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতি - এই তিনিওটা দিশত এখন সমাজ সবল হোৱাটো অত্যন্ত জৰুৰী। জ্ঞান আহৰণৰ যাত্ৰাত আৰ্থিক দৈন্যতা যাতে হেঙাৰ হ'ব নোৱাৰে তাৰ বাবে আমাৰ চৰকাৰে 'জ্ঞান দীপিকা' আঁচনিকে ধৰি বিনামূলীয়া পাঠ্যপুথি, ইউনিফৰ্ম যোগানৰ উপৰি শিক্ষানুষ্ঠানত নামভৰ্তিৰ মাচুল তথা পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ দৰে পদক্ষেপ গ্ৰহণ কৰিছে।

নাৰী শিক্ষাক আমাৰ চৰকাৰে সদায় প্ৰাধান্য দি আহিছে। কন্যা মহাবিদ্যালয় স্থাপনকে ধৰি ৰাজ্যৰ ছাত্ৰী সকলৰ বাবে স্বাস্থ্য অনুকূল ইতিবাচক শৈক্ষিক পৰিৱেশ গঢ় দিবলৈ আমাৰ চৰকাৰে পদক্ষেপ লৈছে। এই শুভ মুহূৰ্তত মই ঘোষণা কৰিব বিচাৰো যে এই পদক্ষেপক আগুৱাই নি আমাৰ চৰকাৰে ৰাজ্যৰ চৰকাৰী আৰু প্ৰাদেশিকীকৃত সকলো উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰাণিং ৱাটাৰ, টয়লেট আৰু বিনামূলীয়া চেনিটেৰি নেপকিন, ভেণ্ডিং মেছিনৰ সুবিধা থকা 'গাৰ্লছ কমন ৰুম' নিৰ্মাণ কৰিব।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যৰ খেলুৱৈ সকলক উৎসাহিত কৰাৰ লগতে আৰ্থিক দিশত তেওঁলোকক সবল কৰাৰ উদ্দেশ্যে আমাৰ চৰকাৰে এক সংহত ৰাজ্যিক ক্ৰীড়া নীতি গ্ৰহণৰ ব্যৱস্থা কৰিছে। ৰাজ্যৰ ক্ৰীড়া প্ৰতিভা সমূহক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে গঢ়ি তুলিবলৈ খেলুৱৈ সকলৰ উন্নত প্ৰশিক্ষণৰ ব্যৱস্থা আমাৰ চৰকাৰে গ্ৰহণ কৰিছে। ইয়াৰ উপৰি গ্ৰামাঞ্চলৰ ক্ৰীড়া প্ৰতিভাসমূহক উপযুক্ত সুযোগ প্ৰদানৰ লক্ষ্যৰে ৰাজ্যৰ ৩৭১ খন খেলপথাৰ অত্যাধুনিক ভাবে গঢ়ি তোলাৰ লগতে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ নামত এখন ক্ৰীড়া বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ পদক্ষেপ লৈছে। তদুপৰি নিজৰ সফলতাৰে ৰাজ্যখনক গৌৰৱান্বিত

কৰা ১০০০ গৰাকী ক্ৰীড়াবিদক ৫০ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদানৰ পদক্ষেপো আমাৰ চৰকাৰে গ্ৰহণ কৰিছে। এই খিনিতে আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া ক্ষেত্ৰত উজলি উঠি ৰাজ্যৰ সুনাম বৃদ্ধি কৰা দৌৰবিদ হিমা দাস প্ৰমুখ্যে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি উঠা সকলো ক্ৰীড়াবিদলৈ অভিনন্দন জনাইছোঁ।

অসমৰ বৰ্ণিল সংস্কৃতিয়ে যাতে বিশ্বৰ বুকুত সুকীয়া স্থান দখল কৰিব পাৰে তাৰ বাবে আমাৰ চৰকাৰে দায়বদ্ধতাৰে পদক্ষেপ গ্ৰহণ কৰিছে। মাজুলীত এখন সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে। চলচ্চিত্ৰ উদ্যোগলৈ আশাৰ বতৰা কঢ়িয়াই আমাৰ চৰকাৰে ৰাজ্যিক চলচ্চিত্ৰ নীতি প্ৰণয়ন কৰিছে। ৰাজ্যৰ চলচ্চিত্ৰ উদ্যোগৰ সৈতে জড়িত শিল্পী, কলা-কুশলী সকলক উৎসাহিত কৰাৰ বাবে ৰাজ্যিক চলচ্চিত্ৰ বঁটা পুনৰ আৰম্ভ কৰাৰ লগতে চলচ্চিত্ৰ প্ৰদৰ্শনৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণৰ দিশত পদক্ষেপ লৈছে।

চলচ্চিত্ৰৰ সমান্তৰালভাবে ভ্ৰাম্যমান থিয়েটাৰ উদ্যোগটো সবল কৰি তুলিবলৈও আমাৰ চৰকাৰে গুৰুত্ব দিছে। এই দিশত পদক্ষেপ গ্ৰহণ কৰি আমাৰ চৰকাৰে ৫ বছৰতকৈ অধিক কাল ভ্ৰাম্যমান থিয়েটাৰৰ সৈতে জড়িত হৈ থকা শিল্পী তথা কলা-কুশলীলৈ ৫০ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য আগবঢ়াব।

তদুপৰি অনন্য প্ৰতিভাৰে ৰাজ্যৰ সাংস্কৃতিক জগতখন চহকী কৰা ৰাজ্যৰ ১০০০ গৰাকী শিল্পীক ৫০ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদানৰ পদক্ষেপ আমাৰ চৰকাৰে গ্ৰহণ কৰিছে। এইখিনিতে ২০১৯ বৰ্ষৰ সন্মানীয় ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ ৰজত কমল বঁটাৰে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনা চলচ্চিত্ৰ পৰিচালক ৰীমা দাস, মঞ্জু বৰা আৰু ববি শৰ্মা বৰুৱাক মই অভিনন্দন জনাইছোঁ।

শ্ৰদ্ধেয় ৰাইজ,

সু-শাসন আৰু উন্নয়নক মূল লক্ষ্য হিচাপে লৈ অসমক দেশৰ অন্যতম শ্ৰেষ্ঠ ৰাজ্য ৰূপে গঢ়াৰ দিশত আমাৰ চৰকাৰ সফলতাৰে আগবাঢ়িছে।

অন্ধবিশ্বাস আৰু দুষ্কৃতি নাশ কৰি বিজ্ঞানমনস্কতাৰে সমাজ নিৰ্মাণত আমাৰ চৰকাৰে আত্মনিয়োগ কৰিছে। সেই লক্ষ্যৰে 'সংস্কাৰঃ মানুহে মানুহৰ বাবে' নামেৰে এখন অভিনৱ আঁচনি আমাৰ চৰকাৰে ৰূপায়ন কৰিছে।

নৱ প্ৰজন্মক দক্ষ, যোগ্য আৰু কৌশলী কৰি তুলিবলৈ আমাৰ চৰকাৰে কাম কৰিছে। বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ বৃহত্তৰ অসমবাসীক লগত লৈ সৰ্বশ্ৰেষ্ঠ অসম নিৰ্মাণৰ যাত্ৰাত আমাৰ চৰকাৰ অগ্ৰসৰ হৈছে। ৰাজ্যৰ সৰ্বাঙ্গীন উন্নয়নৰ এই যাত্ৰাত আমাৰ চৰকাৰে ৰাইজৰ দিহা-পৰামৰ্শ আৰু মতামতক সদায় গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। মই দৃঢ় বিশ্বাসী যে ৰাজ্যবাসীৰ সহযোগত নিষ্ঠা, দায়বদ্ধতা আৰু কঠোৰ পৰিশ্ৰমৰে বিকশিত অসম নিৰ্মাণ আমাৰ চৰকাৰে বাস্তৱায়িত কৰি তুলিব।

বিশ্বৰ বুকুত বৃহত্তৰ অসমীয়া জাতি অধিক উজলি উঠি যাতে স্বাভিমানেৰে আগুৱাই যাব পাৰে তেনে পৰিৱেশ ৰচনাৰ বাবে সমগ্ৰ অসমবাসীক একতাৰে আগবাঢ়ি আহিবলৈ এই শুভ মুহূৰ্তত মই আহ্বান জনালোঁ।

জয় আই অসম।।

জয় হিন্দ।।

ভাৰত মাতা কী জয়।।

— x—

২০১৯

অসম চৰকাৰী ছপাশাল
গুৱাহাটী-২১